■ RNP/GH/075/2024-2026 ■ REGN. NO. ASSASS/2001/07282
■ Vol. 25 ■ No. 126, MONDAY
■ e-paper : www.asomiyapratidin.in

TINSUKIA COLLEGE LIBRARY
ESTD 1956

অসমীয়া প্ৰতিদিন

# অসমীয়া প্ৰতিদিন

২৫শ বছৰ ■ সংখ্যা ১২৬ ■ ২৪ ফাগুন, ১৯৪৭ শক ■ সোমবাৰ, ৯ মাৰ্চ ■ ASOMIYA PRATIDIN ■ MARCH 9, 2026 ■ ডিব্ৰুগড়, গুৱাহাটী, লখিমপুৰ আৰু বঙাইগাঁৱৰ পৰা প্ৰকাশিত ■ ছেটেলাইট সংস্কৰণ * / Dibrugarh Edition *

## তিনিচুকীয়াত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

**প্ৰতিদিন বিশেষ সেৱা, তিনিচুকীয়া, ৮ মাৰ্চ ঃ** অসম বিজ্ঞান সমিতিৰ তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া মহাবিদ্যালয় আৰু পানীতোলা হিন্দী ইংলিছ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভৈৰৱ বৰগোহাঁইৰ তৎপৰতাত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ প্ৰেক্ষাগৃহত আয়োজন কৰা দিৱস অনুষ্ঠানৰ আঁত ধৰে .শাখাৰ সম্পাদক দেৱকান্ত বুঢ়াগোহাঁয়ে। অনুষ্ঠানটোত পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° সৌৰভ ভট্টাচাৰ্যই ভাৰতৰত্ন ছাৰ চন্দ্ৰশেখৰ ভেংকটৰমণৰ জীৱন আৰু কৰ্মৰাজি আলোকপাত কৰে। চি ভি ৰমণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° বুলবুল গগৈ আৰু বিজ্ঞান সমিতিৰ কোষাধ্যক্ষ পূৰ্ণ কাকতিয়ে। আনফালে পানীতোলা হিন্দী ইংলিছ উচ্চ মাধ্যমিক বিদ্যালয়তো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। অসম বিজ্ঞান সমিতিৰ তিনিচুকীয়া শাখাৰ সভাপতি ড° ৰাজীৱ বৰদলৈ সমল ব্যক্তি হিচাপে উপস্থিত থকা অনুষ্ঠানটোত হিন্দী ইংলিছ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি দাঁতি-কাষৰীয়া পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পানীতোলা ছাত্ৰী উচ্চ মাধ্যমিক বিদ্যালয়, বৰুৱাহোলা হাইস্কুলৰ প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা দুলাল বৰুৱাই বৈজ্ঞানিক মানসিকতা আৰু যুক্তিবাদী চিন্তা বিষয়ত বক্তব্য দাঙি ধৰে। হিন্দী ইংলিছ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী গীতাঞ্জলি হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোৰ শেষত শলাগৰ শৰাই আগবঢ়ায় পানীতোলা ছাত্ৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰাণজিতা দাসে।

শ্ৰেষ্ঠ বাতৰি যোগান ধৰিব লাগিব। ইচ্ছুক সাংবাদিকে golaghatdja7@gmail.comত আবেদন কৰিব পাৰিব। গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈ, সাধাৰণ সম্পাদক গিৰীন বৰা আৰু সম্পাদক প্ৰণৱ চক্ৰৱৰ্তীয়ে অহা ১৫ মাৰ্চৰ ভিতৰত লাভ কৰা আবেদন গ্ৰহণযোগ্য হ'ব বুলি বিবৃতিত প্ৰকাশ কৰে।

## বৰহোলা নগাবাট ঠেংগাল গাঁৱত প্ৰশিক্ষণ-সমবিতৰণ কাৰ্যসূচী